# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 11-10-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

***Headlines***

১। শাৰদীয় দুৰ্গোৎসৱৰ অষ্টমী আৰু নৱমী পূজা বৈদিক ৰীতি- নীতিৰে সম্পন্ন। ৰাজ্যৰ পূজা মণ্ডপত অগণন ভক্তৰ ভিৰ।

২। ৰাজ্যৰ বিভিন্ন প্ৰান্তত জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক আৰ্বিভাৱ তিথি উদযাপন।

৩। অপৰাধীৰ পলায়নৰ ঘটনা সন্দৰ্ভত মৰিগাঁও জিলা কাৰাগাৰৰ অধীক্ষক প্ৰশান্ত শইকীয়াক নিলম্বন।

৪। জাপানৰ নিহন হিদাংকিঅ' নামৰ গোটটোলৈ ২০২৪ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা।

*আৰু*

৫। মহিলাৰ আই চি চি টি-টুৱেণ্টি বিশ্বকাপত আজি ডুবাইত অষ্ট্ৰেলিয়া আৰু পাকিস্তানৰ খেল।

০০০০০০০০

শাৰদীয় দুৰ্গোৎসৱৰ অষ্টমী আৰু নৱমী পূজা আজি তিথি অনুসৰি একেদিনাই সম্পন্ন হয়। এই উপলক্ষে ৰাজ্যৰ প্ৰতিখন পূজাস্থলীতে ভক্তিপ্ৰাণ ৰাইজে দেৱী দুৰ্গাৰ আশিস গ্ৰহণ কৰে। গোৱালপাৰা জিলাত আজি পুৱাৰ ভাগত বৈদিক ৰীতি-নীতিৰে অষ্টমী পূজা সমাপন কৰাৰ পাছত নৱমী পূজাও সম্পন্ন কৰা হয়। জিলাখনৰ নেপালী মন্দিৰ সাৰ্বজনীন দুৰ্গা পূজা সমিতিয়ে আজি ৯গৰাকী কুমাৰীক সজাই পৰাই কুমাৰী পূজা পালন কৰে। কুমাৰী পূজা উপলক্ষে প্ৰত্যেক বছৰৰ দৰে এইবাৰো বৃহৎ সংখ্যক ভক্তিপ্ৰাণ লোকৰ সমাগম হয়। ইফালে, গোৱালপাৰা জিলাৰ টুক্ৰেশ্বৰী দেৱালয়তো জাকজমকতা পৰিহাৰ কৰি মৃন্ময় মূৰ্তি অবিহনে শাৰদীয় দুৰ্গা পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ কৃষ্ণাই, ৰংজুলি, দুধনৈ, ধূপধৰা, মাটিয়া, আগিয়া আদি অঞ্চলতো পুৱা অষ্টমী পূজা সমাপন কৰাৰ পাছত নৱমী পূজা পালন কৰা হয়।

**গোলাঘাট** জিলাৰ বোকাখাতৰ ঐতিহাসিক শক্তিপীঠ কাকগোঁসানী দুৰ্গা থানত আজি পৰম্পৰাগত ৰীতি নীতিৰে অষ্টমী আৰু নৱমী পূজা সম্পন্ন কৰা হয়। আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ ৰাজত্বকালত স্থাপন কৰা এই শক্তিপীঠখনত এইবাৰো দুৰ্গা পূজা উপলক্ষে বিভিন্ন প্ৰান্তৰ ভক্তই ভিৰ কৰিছে। এই সন্দৰ্ভত গোলাঘাটৰ আমাৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে কয়–

**-ভইচ কাষ্ট-**

**চৰাইদেউ** জিলাৰ বিভিন্ন প্ৰান্তত উলহ মালহেৰে শাৰদীয় দুৰ্গা পূজা উদ্‌যাপন কৰা হৈছে। জিলাখনৰ মথুৰাপুৰ, নাফুক চাহ বাগিচাৰ লগতে অধিকাংশ চাহ বাগিচাতে দুৰ্গা পূজা উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আনহাতে, শিৱসাগৰ জিলাৰ দেৱীদ'লত অষ্টমী আৰু নৱমী উপলক্ষে আজি বৃহৎসংখ্যক ভক্তিপ্ৰাণ লোকৰ সমাগম হয়।

**দৰং** জিলাৰ মুঠ ৫ খন থানা এলেকাত আয়োজন কৰা প্ৰায় ২০০ খন ৰাজহুৱা পূজাস্থলিত আধ্যাত্মিকতাৰ সৈতে সৃষ্টিশীল কলা আৰু আধুনিকতাৰ সমাহাৰ ঘটাই ভক্তিপ্ৰাণ ৰাইজ আৰু দৰ্শনাৰ্থীক আকৰ্ষণ কৰাৰ প্ৰয়াস কৰা হৈছে। এই পূজা মণ্ডপসমূহৰ উপৰি জিলাখনৰ ঐতিহাসিক পদ্মা থানৰ লগতে মন্দিৰ, দেৱালয়সমূহ দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ স্তুতি তথা মংগল ধ্বনিৰে মুখৰ হৈ পৰিছে। জিলা সদৰ মঙলদৈত থকা কোচ ৰজাৰ তিনিখন হাউলীত ৪০৮ বছৰীয়া ঐতিহ্য আৰু ধৰ্মীয় পৰম্পৰা অক্ষুণ্ণ ৰাখি দুৰ্গা পূজা পালন কৰা হয়। ইয়াৰে গাখীৰখোৱা হাউলীত আজি পৰম্পৰাগত ৰীতি-নীতিৰে অষ্টমী আৰু নৱমী পূজা পালন কৰা হয়।

**গোৱালপাৰা** জিলাত অষ্টমী আৰু নৱমী পূজা উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। এইবেলি জিলাখনত ১৩৬ খন পূজা মণ্ডপত পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ পূজা মণ্ডপসমূহত পুৱাৰ ভাগত সপ্তমী পূজা সমাপন কৰা হয়। অৱশ্যে তিথি অনুযায়ী নেপালী মন্দিৰ পূজা সমিতিয়ে বিয়লিৰ ভাগত অষ্টমী পূজাও সমাপন কৰি অঞ্জলি প্ৰদান কৰে। জিলাখনৰ ৰংজুলি পূজা সমিতিয়ে বিজয়া দশমীৰ দিনা পূৰ্বৰ দৰে ৰাৱণ বধৰ কাৰ্যসূচী ৰূপায়ন কৰিব। এই সন্দৰ্ভত গোৱালপাৰাৰ আকাশবাণীৰ সংবাদদাতা ৰচিদুল হুছেইনে এইদৰে কয়–

**-ভইচ কাষ্ট-**

**গুৱাহাটী** মহানগৰীৰ পূজা মণ্ডপতো অষ্টমী আৰু নৱমী পূজা উপলক্ষে পুৱাৰে পৰা ভক্তিপ্ৰাণ ৰাইজৰ ভিৰ পৰিলক্ষিত হৈছে। অষ্টমী আৰু নৱমীৰ দিনটোত শক্তিপীঠ কামাখ্যা ধাম আৰু উগ্ৰতাৰা দেৱালয়ত অগণন ভক্তিপ্ৰাণ লোকে ভিৰ কৰে। ইপিনে,শাৰদীয় দুৰ্গা পূজাৰ আজিৰ দিনটোত মন্ত্ৰী পিযুষ হাজৰিকাই মৰিগাওঁ জিলাৰ জাগীৰোডৰ কেইবাখনো পূজা মণ্ডপত উপস্থিত হৈ দেৱী দুৰ্গাৰ আশিস লয়। মন্ত্ৰী শ্ৰী হাজৰিকাই সমগ্ৰ ৰাজ্যবাসীক শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছা জ্ঞাপন কৰে। অষ্টমী আৰু নৱমী পূজাৰ দিনটোত জাগীৰোডৰ প্ৰতিখন পূজা মণ্ডপতে উখল-মাখল পৰিবেশৰ সৃষ্টি হয়।

**কৰিমগঞ্জ** জিলাতো অষ্টমী আৰু নৱমী পূজা উপলক্ষে প্ৰতিখন পূজা মণ্ডপত ভক্তিপ্ৰাণ ৰাইজৰ ভিৰ পৰিলক্ষিত হৈছে। জিলাখনৰ ভাঙাবজাৰৰ ভাঙা দুৰ্গাবাৰী ৰাজহুৱা দুৰ্গা পূজাস্থলীত ভক্তৰ মাজত প্ৰসাদ বিতৰণ কৰা হয়।

**বৰপেটা** জিলাত দুৰ্গা পূজা উপলক্ষে উখল মাখল পৰিবেশৰ সৃষ্টি হৈছে। জিলাখনৰ প্ৰতিখন পূজা মণ্ডপতে অষ্টমীৰ লগতে নৱমী পূজাও সম্পন্ন হৈছে। দেৱালয় সমূহতো ৰীতি-নীতিৰে অষ্টমী আৰু নৱমী পূজাৰ আয়োজন কৰা হয়। এই সন্দৰ্ভত বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই এইদৰে কয়-

**-ভইচ কাষ্ট-**

ইপিনে, মন্ত্ৰী অতুল বৰাই অষ্টমী আৰু নৱমী পূজাৰ দিনটোত গোলাঘাটৰ কছাৰীহাট বনগাওঁ, আঠগাওঁ চাৰিআলি,বেঙেনাখোৱাৰ শ্ৰীৰামকৃষ্ণ সেৱা সমিতি আৰু শালিকীহাট সাৰ্বজনীন দুৰ্গা পূজাস্থলীত উপস্থিত হৈ দেৱী দুৰ্গাৰ আশিস গ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ কোটোহাগুৰি ৰাজহুৱা দেৱালয়ৰ দুৰ্গা পূজাত অংশগ্ৰহণ কৰাৰ লগতে ২ নম্বৰ চিনাতলী গাঁৱৰ ত্ৰিশূল মন্দিৰত অনুষ্ঠিত দুৰ্গা পূজাত পূজা অৰ্চনা কৰে। আনহাতে, মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰৰ কেইবাখনো পূজা মণ্ডপত অংশগ্ৰহণ কৰি দেৱী দুৰ্গাৰ আশীৰ্বাদ গ্ৰহণ কৰে। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস বজালী জিলাৰ পাটাছাৰকুচিত অষ্টমী আৰু নৱমী পূজাত উপস্থিত থাকে।

oooooooo

দুৰ্গা পূজা উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ সকলো শ্ৰেণীৰ নাগৰিকলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, দুৰ্গা পূজা অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ জয় হিচাপে পালন কৰা হয় আৰু দেৱী দুৰ্গাক শক্তিৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। এই উৎসৱটোক দুৰ্গাদেৱীৰ প্ৰতি সম্পূৰ্ণৰূপে নিষ্ঠা আৰু সকলো ধৰ্মৰ মাজত ঐক্য আৰু বুজাবুজিৰ প্ৰসাৰৰ এটা উৎসৱ হিচাপে স্বীকৃতি দিয়া হয়। দেৱী দুৰ্গাই এখন ন্যায়সংগত, সংবেদনশীল আৰু সমতাপূৰ্ণ সমাজ গঢ়ি তোলাৰ বাবে যাতে সকলোকে শক্তি, সাহস আৰু দৃঢ়তা প্ৰদান কৰিব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে।

ooooooo

জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক আৰ্বিভাৱ তিথি কাইলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। কোচবিহাৰৰ মধুপুৰ সত্ৰত শ্ৰীমন্ত শংকৰদেৱৰ জয়ন্তী পুৱা ৬বজাত প্ৰভাতী কীৰ্তনেৰে শুভাৰম্ভ কৰা হ'ব। অসম সত্ৰ মহাসভাৰ উত্তৰ-পশ্চিম মণ্ডলৰ তৰফৰ পৰা জনোৱা অনুসৰি শ্ৰীমন্ত শংকৰদেৱ জয়ন্তী উপলক্ষে কাইলৈ ভাগৱত পাঠ, আয়তিৰ নাম পৰিৱেশন, ধৰ্মালোচনী সভাৰ লগতে সন্ধিয়া বন্তি প্ৰজ্জ্বলন কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইপিনে, সত্ৰপীঠ মাজুলীত আজিৰ পৰাই গুৰুজনাই ৫৭৬ সংখ্যক জন্মোৎসৱ অনুষ্ঠিত হৈছে। সত্ৰ আৰু নামঘৰ সমূহৰ সমান্তৰালকৈ আঞ্চলিক ধৰ্মালোচনী সভা সমূহৰ উদ্যোগত আজিৰেপৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ জয়ন্তী অনুষ্ঠিত হয়। উজনি মাজুলী শ্ৰীৰাম ভকতিদুৱাৰ আঞ্চলিক ধৰ্মালোচনী সভাৰ উদ্যোগত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মুদৈবিল বৰনামঘৰত গুৰুজনাৰ জন্মোৎসৱ অনুষ্ঠিত হয়। আজি প্ৰথমদিনা পুৱা ঊষা কীৰ্তন, পৰিবেশ নিকাকৰণৰ পাছত গছপুলি ৰোপন কৰা হয়। ইয়াৰ পাছতে ২১গৰাকী বিশিষ্ট ব্যক্তিয়ে ২১খন ধৰ্মধবজা উত্তোলন কৰে। লগতে বন্তি প্ৰজ্জ্বলন, চিত্ৰাংকন প্ৰতিযোগিতা আৰু দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হয়।

ooooooo

মৰিগাঁও জিলা কাৰাগাৰৰ পৰা যোৱা নিশা পাঁচটা অপৰাধীয়ে পলায়ন কৰা ঘটনা সন্দৰ্ভত কাৰাগাৰখনৰ অধীক্ষক প্ৰশান্ত শইকীয়াক তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ নিলম্বন কৰা হৈছে। অপৰাধী কেইটাই নিশা বিচনা চাদৰ, কম্বল আদি জোৰা লগাই কাৰাগাৰৰ দেৱাল বগাই পলায়ন কৰে। ঘটনা সন্দৰ্ভত জিলা আয়ুক্তই ইতিমধ্যে দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। অপৰাধী কেইটাক চাইফুদ্দিন, জিয়াউল, নুৰ ইছলাম, মাফিদুল আৰু আব্দুল ৰচিদ বুলি আৰক্ষী সূত্ৰৰ উদ্ধৃতিৰে আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooooo

আণবিক বোমাৰ আক্ৰমণৰ সময়ত প্ৰাণ ৰক্ষা পৰা লোকক লৈ গঠিত জাপানৰ **নিহন হিদাংকিঅ'** নামৰ গোটটোলৈ ২০২৪ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। **হিবাকুশ্বা** নামেৰেও পৰিচিত এই গোটটো পাৰমাণৱিক অস্ত্ৰমুক্ত বিশ্বৰ লক্ষ্যত উপনীত হোৱাৰ হকে অক্লান্ত প্ৰচেষ্টা চলোৱাৰ লগতে ভৱিষ্যতে কেতিয়াও পাৰমাণৱিক অস্ত্ৰৰ প্ৰয়োগ হ'বলৈ নিদিয়াৰ স্পষ্ট সংকল্পৰ বাবে জনাজাত। অছলোৰ ন'বেল প্ৰতিষ্ঠানে এই পুৰস্কাৰ ঘোষণা কৰিছে। যোৱা বছৰ ইৰানৰ মানৱ অধিকাৰ কৰ্মী নৰ্গেছ মুহম্মদীক শান্তিৰ ন'বেল বঁটাৰে সন্মানিত কৰা হৈছিল।

0000000

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চিৰাং জিলাৰ বিজনীৰ নৱ নিৰ্মিত  ঐতিহ্য মণ্ডিত শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰ উদ্বোধন কৰাৰ লগতে বহিঃৰাজ্যৰ পৰা অনা লক্ষ্মী দেৱীৰ প্ৰতিমা প্ৰতিষ্ঠা কৰে। বিজনীৰ লক্ষ্মী পূজা সমিতিৰ উদ্যোগত তিনি কোটি টকাৰো অধিক পৰিমাণৰ ধন ব্যয়ৰে পুৰীৰ জগন্নাথ মন্দিৰৰ আৰ্হিত এই মন্দিৰটো নিৰ্মাণ কৰি উলিওৱা হৈছে। আজি গধূলি নৱ নিৰ্মিত লক্ষ্মী মন্দিৰৰ শুভ উদ্বোধন কৰি মুখ্যমন্ত্ৰী শৰ্মাই মা লক্ষ্মীয়ে সকলো লোককে আশীষ প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে সকলোলৈ শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছাও জ্ঞাপন কৰে। এই অনুষ্ঠানত বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়, প্ৰাক্তন বিধায়ক কমল সিং নাৰ্জাৰীৰ লগতে বিজনী অঞ্চলৰ ভালেমান লোকে অংশগ্ৰহণ কৰে।

0000000

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ চানমাৰিত চলি থকা ভাৰত মাতা পূজন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। প্ৰজ্ঞাৰ উদ্যোগত আয়োজিত ভাৰত মাতা পূজন কাৰ্যসূচীত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীসোণোৱালে সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰে। ৮ অক্টোবৰৰ পৰা অনুষ্ঠিত ভাৰত মাতা পূজন কাৰ্যসূচী কাইলৈ অন্ত পৰিব। এই কাৰ্যসূচীৰ প্ৰতিটো দিনতে পুতলা নাচ, সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হৈছে।

0000000

কাৰ্বি আংলঙৰ বিভিন্ন প্ৰান্তত ৩২ সংখ্যক মাণ্ডলিক কাৰ্বিং মহোৎসৱ অনুষ্ঠিত হৈছে। কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ ১৭টা স্থানত এই সাংস্কৃতিক কাৰ্যসূচী আয়োজিত হয়। এই মাণ্ডলিক যুৱ মহোৎসৱৰ অহা ১৭ অক্টোবৰত সামৰণি পৰিব।

0000000

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত  এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী**  ফ'ল' কৰিব পাৰে।

0000000

মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপৰ আজি ডুবাইত হ'বলগীয়া গ্ৰুপ এ-ৰ এখন খেলত অষ্ট্ৰেলিয়াই পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া চাৰে সাত বজাৰ পৰা অনুষ্ঠিত হ'ব।

0000000

**সমাপ্ত**